**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। গুৱাহাটী বিমান বন্দৰক সংযোগ কৰি জালুকবাৰীৰ পৰা এলিভেটেড কৰিড'ৰ নিৰ্মাণ হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। চি বি এছ ইৰ আৰ্হিত অসমতো হাইস্কুল শিক্ষান্ত পৰীক্ষা দুবাৰকৈ অনুষ্ঠিত কৰাৰ বিষয়ে চিন্তা-চৰ্চা।

৩। ধনশিৰি নৈৰ বাঢ়নি পানীত গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল প্লাবিত।

৪। লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল কালিৰ পৰা পুনৰ আৰম্ভ। *আৰু*

৫। এজবেষ্টন টেষ্টত ইংলেণ্ডক ৩৩৬ ৰানত পৰাজিত কৰি এণ্ডাৰছন-তেণ্ডুলকাৰ টেষ্ট শৃংখলাত ভাৰতৰ ১-১ৰ সমতা স্থাপন।

০০০০০০

নতুন আৰ্হিৰে নিৰ্মিত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ অহা নৱেম্বৰ মাহত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰে। উল্লেখযোগ্য যে নতুন বিমান বন্দৰ কপৌ ফুলৰ আৰ্হিৰে নিৰ্মাণ কৰি থকা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে গুৱাহাটী বিমান বন্দৰৰ পৰা জালুকবাৰীলৈ এটা নতুন এলিভেটেড ক'ৰিডৰ নিৰ্মাণ কৰা হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নৱনিৰ্মিত **ভগদত্ত** উৰণ সেতুখন কালি ৰাইজৰ বাবে মুকলি কৰে। ১১১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চাৰিটা লেনযুক্ত ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিণীগাঁৱৰ যান-যট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০

ৰাজ্যত  দুবাৰ মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে তেজপুৰত কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শৈক্ষিক বৰ্ষৰ সময়সূচী নিৰ্ধাৰণৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে বিভাগৰ তৰফৰ পৰা এখন সমিতি গঠন কৰা হৈছে। অহা ১ আগষ্টৰ পৰা ৰাজ্যৰ মহাবিদ্যালয়সমূহত পাঠদান কাৰ্যসূচী আৰম্ভ হ'ব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে শৈক্ষিক বৰ্ষৰ সময়সূচীক লৈ ৰাজ্যৰ শিক্ষা বিভাগে কোনো সিদ্ধান্ত লোৱা নাই আৰু এই সন্দৰ্ভত এখন সমিতি গঠন কৰা হৈছে বুলিও উল্লেখ কৰে। তেওঁ লগতে কয়, যে দৰং জিলাৰ ছিপাঝাৰত এখন নতুন প'লিটেকনিক

ইনষ্টিটিউট স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা কৰিছে। শোণিতপুৰৰ শিয়ালমাৰীত নির্মাণ কৰা আদর্শ আৱাসিক বিদ্যালয়খনত নৱদয় বিদ্যালয় স্থাপন কৰা হ'ব বুলিও শিক্ষামন্ত্রীগৰাকীয়ে লগতে মন্তব্য কৰে।

০০০০০০

গোলাঘাট জিলাৰ বিভিন্ন স্থানত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ধনশিৰি নৈৰ জলপৃষ্ঠ ক্রমাৎ বাঢ়ি অহা পৰিলক্ষিত হৈছে। ধনশিৰি নৈৰ বাঢ়নি পানীয়ে ইতিমধ্যে সৰুপথাৰ, বৰপথাৰ, নুমলিগড়, খুমতাই, মৰঙি আদি অঞ্চলৰ দুকুৰিৰো অধিক গাওঁ প্লাৱিত কৰিছে। সৰুপথাৰ সমজিলাৰ অন্তর্গত নাওজান কৈৱী গাঁও, চেৰাগুৰি, শিঙিমাৰী, শিমলুচাপৰি আদি অঞ্চল বানে প্লাৱিত কৰাৰ ফলত ৰাইজে ঘৰ এৰি মথাউৰিত আশ্রয় ল'বলগীয়া হৈছে। বানাক্রান্ত লোকসকলে ইতিমধ্যে জিলা প্রশাসনে ব্যৱস্থা কৰি দিয়া শিবিৰত আশ্রয় গ্রহণ কৰাৰ লগতে পশুধন সমূহকো নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। ইফালে খুমতাই বিধানসভা সমষ্টিৰ মৰঙি ৰাজহ চক্রৰ অধীনত কুৰিখনৰো অধিক গাওঁত ধনশিৰি নৈৰ বাঢ়নি পানীয়ে আতংকৰ সৃষ্টি কৰিছে। ধনশিৰি নৈৰ দাতিকাষৰীয়া মইনাপাৰা, কাঠকটীয়া, কুৰুকা, শালমৰা গ্রাণ্ট, ঢুলিয়াগাওঁ, দুখুতিমুখ, তিনি নম্বৰ ভোলাগুৰি, কৈৱর্তগাওঁ, চেচামুখ, কৰদৈগুৰি, কেন্দুগুৰি আদি গাঁৱত বৃদ্ধি হোৱা ধনশিৰি নৈৰ বাঢ়নি পানীয়ে পথ আৰু ঘৰৰ ভেটি বুৰাই পেলাইছে। ইয়াৰ উপৰি শালি খেতিৰ লগতে বিভিন্ন শাক পাচলিৰ খেতি বাঢ়নি পানীয়ে বুৰাই পেলোৱাত কৃষক ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জিলা প্রশাসনৰ তৰফৰ পৰা উদ্ধাৰ অভিযান অব্যাহত আছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

০০০০০০

লামডিং-বদৰপুৰ ৰে'ল লাইনত পুনৰ ৰে'ল চলাচল কালিৰ পৰা পুনৰ আৰম্ভ হয়। মাইবং-দাওতুহাজা আৰু মুপা-দিহাখুৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ বহুকেইখন ৰে'লৰ সময়সূচী সলনি তথা কেইবাখনো ৰে'ল অঞ্চলটোত আবদ্ধ হৈ পৰিছিল। গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গুৱাহাটী-বঙিয়া এক্সপ্রেছ ৰে'লখন হাতীখালী ষ্টেচনত আৱদ্ধ হৈ পৰিছিল। একেদৰে গুৱাহাটী-শিলচৰ এক্সপ্রেছ ৰে'লখন লামডিং ষ্টেচনত আৰু গুৱাহাটী-দুর্লভছৰা এক্সপ্রেছ ৰে'লখন লাংটিং ষ্টেচনত আৱদ্ধ হৈ আছিল। আগৰতলা-দেওঘৰ এক্সপ্রেছ ৰে'লখনো হাফলং ষ্টেচনত আৱদ্ধ হৈ আছিল। ভূমিস্খলন সংঘটিত হোৱা ৰে'লপথছোৱা মুকলি কৰাৰ পাছতে পুনৰ ৰে'ল চলাচল আৰম্ভ হয়।

০০০০০০

**ক্রীড়া এতিয়া কেৱল এক অতিৰিক্ত কার্যকলাপ নহয়, ৰাষ্ট্র নির্মাণৰ গুৰুত্বপূর্ণ স্তম্ভ-** অসম অলিম্পিক সন্থাৰ সভাপতি সর্বানন্দ সোণোৱালে কালি নেহৰু ষ্টেডিয়ামৰ অসম অলিম্পিক সন্থাৰ কার্যালয়ত আয়োজিত সংবাদমেলত অর্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে তিনিটাকৈ ৰাষ্ট্রীয় ক্রীড়া বঁটা প্রদান কৰা হ'ব বুলি ঘোষণা কৰি এইদৰে কয়। কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয়, যে দেশৰ ক্রীড়া ক্ষেত্রক আগবঢ়াই নিয়াত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। মন্ত্রীগৰাকীয়ে দেশৰ প্রতিটো প্রান্তত খেলৰ বাতাবৰণ সৃষ্টি কৰাৰ পোষকতা কৰে। ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা অর্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে তিনিটাকৈ পুৰস্কাৰ প্রদান কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্রীগৰাকীয়ে প্রকাশ কৰে। তেওঁ কয় যে বছৰৰ শ্রেষ্ঠ ক্রীড়াবিদ, জীৱনজোৰা ক্রীড়া সাধনা বঁটা আৰু বছৰৰ উদীয়মান ক্রীড়া প্রতিভা বঁটাকে ধৰি পোনপ্রথমবাৰৰ বাবে তিনিটাকৈ ৰাষ্ট্রীয় ক্রীড়া বঁটা প্রদান কৰা হ'ব। এই বঁটাত ৫, ৩ আৰু ২ লাখ টকাৰ পুৰস্কাৰ থাকিব। অর্জুন মনালিছা বৰুৱা, অভিজিত ভট্টাচার্যকে ধৰি তিনিগৰাকী খেলুৱৈৰে গঠিত এখন সমিতিয়ে শ্রেষ্ঠ খেলুৱৈসকলক বাছনি

কৰিব। অহা ৩ ছেপ্তেম্বৰত শিৱসাগৰত এই কাৰ্যসূচী আয়োজিত হ'ব বুলি শ্ৰীসোণোৱালে সদৰি কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা।

০০০০০০

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতিৰ অনুমোদন সাপেক্ষে সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ কমিটী, ৰাজ্যৰ বিভিন্ন জিলা কংগ্ৰেছ কমিটীৰ সভাপতিৰ লগতে ৰাজনৈতিক পৰিক্ৰমা কমিটীৰ নাম ঘোষণা কৰা হৈছে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল স্বাক্ষৰিত পত্ৰ অনুসৰি জীতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত ১৯ জনীয়া ৰাজনৈতিক পৰিক্ৰমা কমিটী সদস্যসকলৰ নামৰ তালিকা কালি প্ৰকাশ পাইছে। ১৯ জনীয়া কমিটীখনৰ লগতে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সকলো সদস্য স্থায়ী সদস্য হিচাপে থাকিব। আনহাতে প্ৰদেশ কংগ্ৰেছৰ এই কমিটীৰ তালিকাত ১৪ গৰাকী উপ-সভাপতি, ৩৩ গৰাকী সাধাৰণ সম্পাদক, ৩৫ গৰাকী সম্পাদক আৰু ২০ গৰাকী যুটীয়া সম্পাদকৰ নাম প্ৰকাশ কৰা হৈছে। একেখন পত্ৰতে ৰাজ্যৰ ৩৫ খন জিলাৰ কংগ্ৰেছ কমিটীৰ সভাপতিৰ নামো তালিকা প্ৰকাশ হৈছে। শীঘ্ৰে প্ৰদেশ কংগ্ৰেছৰ নতুন কমিটিৰ সৈতে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু বিৰোধী দলপতি ৰাহুল গান্ধীয়ে বৈঠকত মিলিত হ'ব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে উল্লেখ কৰে।

০০০০০০

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ আজি ভূতনাথ শ্মশানত দুপৰীয়াৰ ভাগত উদয়াদিত্য ভৰালীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ইয়াৰ পূৰ্বে কটন বিশ্ববিদ্যালয়ৰ চৌহদত শিক্ষক-ছাত্ৰই তেখেতলৈ শেষ শ্ৰদ্ধা জনাব। কালি পুৱতি নিশা প্ৰায় ৩ বজাত নিজ বাসগৃহত তেওঁৰ দেহাৱসান ঘটে।

উদয়াদিত্য ভৰালীয়ে শৈক্ষিক ক্ষেত্ৰৰ লগতে নানান সামাজিক কামত সক্ৰিয় ভূমিকা পালন কৰিছিল। তেওঁ ১৯৬৮ চনৰ পৰা ২০০৩ চনলৈ কটন কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিছিল। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা ভৰালীয়ে কিছুদিন পূৰ্বে পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটাও লাভ কৰিছিল। ২০০৪ চনত অসম সাহিত্য সভাৰ বুৰঞ্জী অধিৱেশন তেওঁ সঞ্চালনা কৰিছিল। ১৯৪৭ চনত মৰাণত জন্মগ্ৰহণ কৰা এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ।

০০০০০০

বিশ্বনাথ জিলাৰ আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ অধ্যক্ষই জিলাখনৰ কুৰিটা স্থান আৰু নৈৰ ঘাটত সাঁতোৰা অথবা গাঁ-ধোৱাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে নিষেধাজ্ঞা আৰোপ কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি জিলাখনৰ বৰগাং নদীৰ টেঙাবস্তি অঞ্চল, বুৰিগাং নদীত ফতিকা শ্লুইছ গে'ট, ছোৱাগুৰি, ভঙা মথাউৰি, দুই নম্বৰ চালিয়াৰ অজলা সুতি বিল, বিশ্বনাথ ঘাট আদিত সাঁতোৰা আৰু গাঁ-ধোৱাত নিষেধাজ্ঞা জাৰি কৰিছে।

একেদৰে হেলেম ৰাজহচক্ৰৰ অন্তৰ্গত চাৰিটা স্থানত, গহপুৰ ৰাজহ চক্ৰ কাৰ্যালয়ৰ অন্তৰ্গত ছটা স্থানত, এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। শেহতীয়াকৈ জিলাখনৰ বিভিন্ন স্থানত পানীত ডুবি মৃত্যু হোৱা ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি সকলো নাগৰিক আৰু দৰ্শনাৰ্থীক এই নিষেধাজ্ঞা কঠোৰভাৱে পালন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০

এজবেষ্টন টেষ্টত ইংলেণ্ডক ৩৩৬ ৰানত পৰাজিত কৰি এণ্ডাৰছন-তেণ্ডুলকাৰ টেষ্ট শৃংখলাত ভাৰতে ১-১ৰ সমতা কৰিছে। খেলখনৰ কালি পঞ্চম দিনা ভাৰতে ইংলেণ্ডৰ দ্বিতীয় ইনিংছৰ বাকী থকা ৭টা উইকেট দখল কৰি এই ঐতিহাসিক বিজয় সাব্যস্ত কৰে। এয়া হৈছে ৫৮ বছৰৰ পাছত এজবেষ্টনত ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম জয়লাভ। কালি পঞ্চম দিনৰ খেলৰ আৰম্ভণিতে বৰষুণে খেল কিছুসময় বিঘ্নিত কৰে যদিও আকাশ দীপৰ নিখুঁট বলিঙেৰে ভাৰতে খেলখনত আধিপত্য বিস্তাৰ কৰে। ইংলেণ্ডৰ হৈ প্ৰথম ইনিংছত শতৰান সংগ্ৰহ কৰা জেমি স্মিথহে ৮৮ ৰান কৰি ঘৰুৱা দলটোৰ হৈ কিছু প্ৰতিৰোধ গঢ়ি তোলাৰ চেষ্টা কৰে।

আকাশ দীপে ৯৯ ৰানৰ বিনিময়ত ইংলেণ্ডৰ দ্বিতীয় ইনিংছত ছটা উইকেট দখল কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ, ৰবীন্দ্ৰ জাডেজা, প্ৰসিদ্ধ কৃষ্ণা আৰু ৱাশ্বিটংন সুন্দৰে এটাকৈ উইকেট দখল কৰে। আকাশ দীপে প্ৰথম ইনিংছত ৪টা আৰু দ্বিতীয় ইনিংছত ৬টা উইকেট দখল কৰি ১৯৮৬ চনৰ চেতন শৰ্মাৰ পাছতেই ইংলেণ্ডত এই কৃতিত্ব অৰ্জন কৰা দ্বিতীয়জন ভাৰতীয় বলাৰ হিচাপে পৰিগণিত হয়।

এজবেষ্টন টেষ্টত প্ৰথম ইনিংছত দ্বি-শতক আৰু দ্বিতীয় ইনিংছত শতক অৰ্জন কৰা শুভমন গিল ১৪৮ বছৰীয়া টেষ্ট ক্ৰিকেটৰ ইতিহাসত বিশ্বৰ নৱমগৰাকী ক্ৰিকেট খেলুৱৈ হিচাপে পৰিগণিত হয়। শুভমনে এনে কৃতিত্ব অৰ্জন কৰা ভাৰতৰ সামগ্ৰিকভাৱে দ্বিতীয় আৰু প্ৰথমগৰাকী অধিনায়ক হিচাপেও পৰিগণিত হৈছে।

খেলখনৰ চূড়ান্ত স্কৰসমূহ—-

ভাৰত প্ৰথম ইনিংছ - ৫৮৭ ৰান আৰু

দ্বিতীয় ইনিংছ - ৬ উইকেটত ৪২৭ ৰান কৰি ইনিংছ সমাপ্তিৰ ঘোষণা।

ইংলেণ্ড প্ৰথম ইনিংছ - ৪০৭ ৰান আৰু

দ্বিতীয় ইনিংছ - ২৭১ ৰান

শৃংখলাটোৰ তৃতীয় টেষ্ট মেচ ১০ জুলাইত ল'ৰ্ডছত অনুষ্ঠিত হ'ব।

০০০০০০

গণতান্ত্ৰিক চেতনা, প্ৰগতিশীল আদৰ্শৰে আজীৱন অসমীয়া জাতিক সতৰ্ক, সচেষ্ট হৈ থাকিবলৈ উদ্বুদ্ধ কৰা অহা বিশিষ্ট বুদ্ধিজীৱী, চিন্তাবিদ, ইতিহাসবিদ, লেখক, সাহিত্যিক, কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ উদয়াদিত্য ভৰালীৰ কালি দেহাৱসান ঘটে। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো **পথদ্ৰষ্টাৰ মহাপ্ৰস্থান** শিৰোনামেৰে শীৰ্ষস্থান দিয়াৰ লগতে অসমীয়া খবৰ, দৈনিক অগ্ৰদূত, দৈনিক অসম, নিয়মীয়া বাৰ্তা, আমাৰ অসম আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতত থকা বিদেশী মুদ্ৰাৰ ভাণ্ডাৰে পুনৰ অভিলেখ গঢ়িছে। ১০ মাহৰ ব্যৱধানতে দ্বিতীয়বাৰলৈ নতুন দিল্লীয়ে এইক্ষেত্ৰত ৭০ হাজাৰ কোটি ডলাৰৰ সীমা অতিক্ৰম কৰিছে। নিয়মীয়া বাৰ্তা কাকতে গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতৃত্বই জীতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত অসম কংগ্ৰেছৰ ৰাজনৈতিক পৰিক্ৰমা কমিটী গঠন কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

যোৱা শুকুৰবাৰে কৰ্মৰত অৱস্থাতে ধেমাজিৰ সাংবাদিক মাধুৰ্য শইকীয়াক আক্ৰমণ কৰাৰ ৭ জন দুৰ্বৃত্তক আটক কৰা হৈছে। এয়া দৈনিক জনমভূমি কাকতৰ বাতৰি।

মহানগৰীৰ জি এছ ৰোডৰ ৰুক্মিণীগাঁও পইণ্টত নিৰ্মাণ কৰা ৬৬০ মিটাৰ দৈৰ্ঘ্যৰ **ভগদত্ত উৰণ সেতু-২** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি উদ্বোধন কৰাৰ বাতৰিটো আলোকচিত্ৰসহ দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।

বিটিআৰ চুক্তিৰ জৰিয়তে বড়োলেণ্ডত শান্তিৰ নতুন পৰিৱেশৰ সূচনা হৈছে আৰু বিশ্বাস, মৰম ঘূৰাই অনাৰ পদক্ষেপ লোৱা হৈছে বুলি **বড়োলেণ্ড স্পীকছ ঃ ফৰ্ম ভিজন টু এক্সন** কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত আৰু দা ছেণ্টিনেল কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া খবৰ কাকতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে কেতবোৰ অংশৰ বাবে টোলকৰ ৫০ শতাংশ পৰ্যন্ত হ্ৰাস কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

বৌদ্ধ ধৰ্মগুৰু দালাই লামাৰ কালি ৯০ বছৰীয়া জন্মদিনত বিশ্বৰ বিভিন্ন প্ৰান্তত বহুসংখ্যক ভক্তই ধৰ্মগুৰুগৰাকীক শুভেচ্ছা জনোৱাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দা টাইমছ অৱ ইণ্ডিয়া কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৭ সংখ্যক ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত এভুমুকি—

পৰৱৰ্তী বাতৰি শুনক মৰমী কাশ্যপৰ পৰা.....

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত